
প্রজ্ঞা
সপ্তম সংখ্যক সংস্করণ
২০২৬
সততা
দায়িত্বশীল
জ্ঞানম
সম্পাদক- গোপালজ্যোতি গগৈ।

# প্ৰজ্ঞা

# PRAGYA

সপ্তম সংখ্যক সংস্কৰণ

২০২৬

বিদ্যয়া সাধয়েৎ
দুলীয়াজান মহাবিদ্যালয়

দুলীয়াজান মহাবিদ্যালয়
শিক্ষাতত্ত্ব বিভাগ

"জ্ঞান মন্দিৰত
সৰল দুপাহী গঢ়ি তোল
উৰি যাম
সীমাহীন দূৰ দিগন্তলৈ
প্ৰজ্ঞাৰ অন্বেষণত ।"

গোপালজ্যোতি গগৈ
সম্পাদক ।

# প্ৰজ্ঞা (PRAGYA)

Hand made magazine of Education Department, Duliajan College, Edited by Gopal Jyoti Gogoi, Duliajan, Dibrugarh - 786602.

**সম্পাদনা সমিতি :**

ড° মনচুন হাতীবৰুৱা
(মুখ্য উপদেষ্টা)

অংকিতা বৰুৱা
(উপদেষ্টা)

ড° অম্বালিকা বৰঠাকুৰ
(উপদেষ্টা)

দীপামণি শইকীয়া
(উপদেষ্টা)

**সদস্য :**
কাশ্মীৰ বসুমতাৰী, ৰহিত ৰাউথ
স্নেহা তালুকদাৰ, ঈশানী সাহা

**Editorial Board:**

Dr. Monsoon Hati Baruah
(Chief Advisor)

Ankita Baruah
(Advisor)

Dr. Ambalika Borthakur.
(Advisor)

Dipamoni Saikia.
(Advisor)

**Member :**
Kashmir Basumatary, Rohit Rauth, Sneha Talukdar, Eshani Saha

বেটুপাতৰ কলাবৰ্ণ আৰু সজ্জা : ৰহিত ৰাউথ ।

অংগসজ্জা আৰু অলংকৰণ : গোপালজ্যোতি গগৈ আৰু মন্টু গগৈ ।

প্ৰকাশক : শিক্ষাতত্ত্ব বিভাগ, দুলীয়াজান মহাবিদ্যালয় ।

# উচৰ্গা

অসমৰ সাংস্কৃতিক জগতখনলৈ অনবদ্য অৱদান আগবঢ়োৱা অসমৰ আপুৰুগীয়া সত্ত্বা, সু-গায়ক, অভিনেতা, মানৱদৰদী সমাজসেৱক অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গ দেৱলৈ সশ্ৰদ্ধ প্ৰণামেৰে এই হাতেলিখা আলোচনী 'প্ৰজ্ঞা' উচৰ্গা কৰিলোঁ।





# শুভেচ্ছা বাণী :

শিক্ষানুষ্ঠান এখনৰ পৰা প্ৰকাশ পোৱা আলোচনী এখনে সেই, শিক্ষানুষ্ঠানত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ মানসিক তথা বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তদুপৰি, শিক্ষাৰ্থীসকলৰ সুপ্ত প্ৰতিভা বিকাশত আলোচনী এখনৰ যথেষ্ট অৰিহনা থাকে। বিগত বৰ্ষসমূহৰ দৰেই এই বৰ্ষতো দুলীয়াজান মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সন্মানীয় আৰু মেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতা প্ৰচেষ্টাত মহাবিদ্যালয়ৰ বাৰ্ষিক বিভাগীয় হাতেলিখা আলোচনী "প্ৰজ্ঞা"ৰ সপ্তম সংখ্যক সংস্কৰণ প্ৰকাশ হ'ব বুলি জানি আনন্দিত হৈছো।

ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনীশীল প্ৰতিভা বিকাশৰ বাবে লোৱা এনে প্ৰচেষ্টাক মই আদৰণি জনাইছোঁ। এই আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলৰ স্বকীয় চিন্তাৰ বিকাশত সহায় কৰাৰ লগতে তেওঁলোকৰ মানসিক উত্তৰণৰ দিশতো নতুন বাৰ্তা কঢ়িয়াই আনিব বুলি আশা ৰাখিছোঁ।

শেষত, আলোচনীখনৰ তত্ত্বাৱধায়কৰ দায়িত্ব সুচাৰু ৰূপে পালন কৰা সমূহ কৰ্মকৰ্তালৈ মোৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে আলোচনীখনে সমাদৰ লাভ কৰক তাকে কামনা কৰিছোঁ।

ড° মনচুন হাতীবৰুৱা
মুৰব্বী অধ্যাপিকা, শিক্ষাতত্ত্ব বিভাগ
দুলীয়াজান মহাবিদ্যালয়

HOD
Department of Education
Duliajan College

# অনুক্ৰমণিকা :


| ক্ৰমিক নং | বিষয় | পৃষ্ঠা নং |
|---|---|---|
| ১ | সম্পাদকীয় একলম — "সহানুভূতি আৰু মানৱতা বিকাশত শিক্ষাৰ ভূমিকা" | ১-২ |
| ২ | গ্ৰন্থ আলোচনা : "Dead Poets Society" | ৩-৭ |
| ৩ | নাৰী সৱলীকৰণ : - স্নেহা তালুকদাৰ<br>এখন সমৃদ্ধশালী সমাজৰ মূল আধাৰ - গোপালজ্যোতি গগৈ | ৮-১২ |
| ৪ | The Midnight Ghost - পৰিস্মিতা মেছ | ১৩-১৪ |
| ৫ | Digital Literacy and Proficiency : A key to shaping the future - কাশ্মীৰ বসুমতাৰী | ১৫-১৯ |
| ৬ | কবিতা : | |
| | * অভিনয় — অৰুণালিনী বড়া | ২০ |
| | * নিলিখা কবিতা — গোপী সোনোৱাল | ২১ |
| | * Somewhat blue — স্নেহা তালুকদাৰ | ২২-২৩ |
| ৭ | The Art of Living - ঈশানী সাহা | ২৪-২৫ |
| ৮ | একাংকিকা নাট : পাহাৰৰ সেমেকা জুই - কাশ্মীৰ বসুমতাৰী | ২৬-৩০ |
| ৯ | ছবিয়ে কথা কয় - ৰঞ্জিত ৰাউথ | ৩১ |
| ১০ | সাঁথৰ - মণ্টু গগৈ | ৩২ |
| ১১ | কৌতুক - দেৱব্ৰত কচাৰী | ৩৩ |

# সম্পাদকীয় একলম :

## "সহানুভূতি আৰু মানৱতা বিকাশত শিক্ষাৰ ভূমিকা"

এজন মানুহ কেৱল জীৱ হিচাপেহে জন্মলাভ কৰে। কিন্তু, সহানুভূতি আৰু মানৱতাৰ বিকাশৰ মাজেৰে তেওঁ সচাঁ অৰ্থত মানুহ হৈ উঠে। আনৰ দুখত দুখ অনুভৱ কৰা, অসহায়ৰ হাত ধৰা, সমাজৰ প্ৰতি দায়বদ্ধতা অনুভৱ কৰা — এই সকলো গুণেই এখন সুস্থ আৰু মানৱীয় সমাজৰ ভেঁটি গঢ়ে। এই গুণসমূহ বিকাশৰ ক্ষেত্ৰত শিক্ষাৰ এক গভীৰ প্ৰভাৱ আছে।

শিক্ষা কেৱল পুথিগত জ্ঞান আহৰণৰ মাধ্যম নহয়, ই মানৱীয় মূল্যবোধ বিকাশৰ এক শক্তিশালী উপায়। বিদ্যালয় আৰু শিক্ষানুষ্ঠানসমূহে ছাত্ৰ-ছাত্ৰীৰ মাজত সহানুভূতি আৰু মানৱতাৰ বীজ ৰোপন কৰে। শিক্ষকসকলৰ আদৰ্শ, আচৰণ, নৈতিক শিক্ষা আৰু সহমৰ্মিতাপূৰ্ণ পৰিৱেশে শিক্ষাৰ্থীৰ মনত এই গুণ-সমূহ দৃঢ় কৰে।

দলীয় কাম, সহপাঠীৰ সৈতে সহযোগিতা, সমাজ সেৱা, সাংস্কৃতিক কাৰ্যসূচী, বিভিন্ন খেল-

-বৈঠালি, দলীয় আলোচনা আদিৰ জৰিয়তে শিক্ষাৰ্থীয়ে আনৰ কষ্ট, ত্যাগ আদি অনুভৱ কৰিবলৈ শিকে। এই অভিজ্ঞতাসমূহে তেওঁলোকক অধিক সহানুভূতিশীল কৰি তোলে। সেয়ে, পাঠ্যক্ৰমত নৈতিক মূল্যবোধৰ শিক্ষা অন্তৰ্ভুক্ত কৰাটো অতি প্ৰয়োজনীয়।

বৰ্তমান সময়ত সমাজত ব্যক্তিস্বাৰ্থ আৰু প্ৰতিযোগিতাৰ মানসিকতা বাঢ়ি যোৱাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাৰ জৰিয়তে সহানুভূতি আৰু মানৱতা বিকাশৰ দিশটো অধিক প্ৰয়োজনীয় হৈ পৰিছে। শিক্ষাক কেৱল চাকৰি লাভৰ উপায় হিচাপে বিবেচনা নকৰি মানৱীয় গুণৰ বিকাশৰ উপায় হিচাপে গঢ়ি তোলাটোহে শিক্ষাৰ মূল উদ্দেশ্য হ'ব লাগে।

শিক্ষা হৈছে সেই শক্তি, যিয়ে এজন ব্যক্তিক সম্পূৰ্ণ মানুহ হিচাপে গঢ়ি তোলে। সহানুভূতি আৰু মানৱতাৰ বিকাশ অবিহনে শিক্ষা অসম্পূৰ্ণ। সেয়ে, এক সুস্থ, সহানুভূতিশীল আৰু মানৱীয় সমাজ গঢ়াৰ বাবে শিক্ষাৰ ভূমিকা অপৰিসীম।

# Book Review

DEAD POETS SOCIETY



If I had to describe how I felt after reading this masterpiece in one word, I would say 'inspired'. This book made me excited to turn the page in the same youthful manner I once had toward reading and made me reflect on how I chose to live my life. In only 176 short pages, N.H. Kleinbaum invests the reader so deeply into the lives of the boys involved in Dead Poets Society that he completely shifts the reader's perspective on the meaning of being alive. Set in 1959, at the prestigious yet conservative Welton Academy.

Dead poets society follows a group of seven young men whose lives are transformed by their eccentic English teacher, Mr. Keating. Initially bound by the strict expectations of their school and families, the boys find themselves inspired and challanged by Mr. Keating's unconventional teaching methods, which include ripping pages out of textbooks, standing on desks and analyzing poetry in ways that feel relevant to real life. Mr. Keating encourage the boys to embody the Latin phrase carpe diem which translates to "seize the day" urging them to think independently and question normality. Through this guidence, he plants a seed of ~~a~~ courage in the boys, allowing them to embrace their passions and dreams and defy the rigid limitations their families and society impose. The most memorable aspect of the novel is its exploration of what makes

life meaningful. Early in the book, Mr. Keating tells the boys, "We don't read and write poetry because it's cute. We read and write poetry because we are members of the human race. And, the human race is filled with passion. And medicine, law, business, engineering, these are noble pursuits and necessary to sustain life. But poetry, beauty, romance, love, these are what we stay alive for". This quote captures the essence of Mr. Keating's philosophy: while practical pursuits are essential, the deeper purpose of life lies in passion, beauty, and emotional experience. Immersed in the book, I felt inspired to start living my life too the fullest.

Kleinbaum effectively illustrates the importance of raw emotion in life and

promotes readers to reflect on what they believe makes life worthwhile. Dead Poets Society a secret club the boys receive in an old cave becomes a sanctuary to share their passions and explore their humanity. Each boy metaphorized beautifully throughout the novel. The teaching of Mr. Keating transfers into the boy's lives, encouraging each boy to become a better student and a more thoughtful, passionate individual. The novel's deep and powerful messages resonate long after the final message of the book. Kleinbaum's Dead Poets Society inspired me to re-evaluate the values that drive my life and question how often I allow myself to pursue life's pleasures. More than just an enjoyable story, its a call to carpe diem, embrace your passion and live life to the fullest. In a world riddled with

rules and social expectations, this book lets us feel stop and experience life for a moment and learn to give life and most importantly our dreams a second chance. Admist this busy life, please take a break and read this inspiring novel. It is a truly unforgettable read ~~this~~ and the story would stay with you for a long time.

— Sneha Talukdar.
B.A. 6th Sem.

# নাৰী সবলীকৰণ :
## এখন সমৃদ্ধশালী সমাজৰ মূল আধাৰ

নাৰী সবলীকৰণ কেৱল এটা আধুনিক শব্দ বা সাময়িক চৰ্চাৰ বিষয় নহয়; ই হ'ল এখন সমাজৰ সেই মৌলিক পুনৰ্গঠন য'ত সমাজে অনুভৱ কৰিছে যে এখন ডেউকাৰে আকাশত উৰা অসম্ভৱ। বৰ্তমানৰ গোলকীয় প্ৰেক্ষাপটত, সবলীকৰণ কেৱল জীয়াই থকাৰ সংগ্ৰাম হৈ থকা নাই, বৰঞ্চ ই এক নেতৃত্বৰ উত্তৰাধিকাৰলৈ ৰূপান্তৰিত হৈছে। আজিৰ নাৰী কেৱল অৰ্থনীতিৰ অংশ গ্ৰহণকাৰীয়েই নহয়, তেওঁলোকেই ইয়াৰ প্ৰধান স্থপতিবিদ (Architect/Builder)। অৰ্থাৎ সবলীকৰণ হৈছে দৰিদ্ৰতা নিৰ্মূলৰ আটাইতকৈ শক্তিশালী অস্ত্ৰ। যেতিয়া এগৰাকী মহিলা শিক্ষিত আৰু আৰ্থিকভাৱে স্বাৱলম্বী হয়, তেতিয়া তেওঁ নিজৰ সন্তানৰ পুষ্টি আৰু শিক্ষাক অগ্ৰাধিকাৰ দিয়ে। ইয়াৰ ফলত পৰৱৰ্তী প্ৰজন্মই এক উন্নত আৰ্থ-সামাজিক পৰিৱেশত ডাঙৰ দীঘল হোৱাৰ সুযোগ পায় আৰু পৰিয়ালটোৱে যুগ যুগ ধৰি চলি অহা দৰিদ্ৰতাৰ পৰা মুক্তি পায়। তদুপৰি, বৰ্তমানৰ পৰিৱেশ সংকটৰ সময়ত নাৰী সবলীকৰণ এক লুকাই থকা শক্তিৰ দৰে। বিশেষকৈ গ্ৰাম্য অঞ্চলত কৃষি আৰু প্ৰাকৃতিক সম্পদৰ ব্যৱস্থাপনাত মহিলাসকলে মুখ্য ভূমিকা পালন কৰে। সবলীকৃত

মহিলাই বহনক্ষম কৃষি আৰু পানী সংৰক্ষণৰ দৰে পদ্ধতিসমূহ অধিক ফলপ্ৰসূভাৱে ৰূপায়ণ কৰিব পাৰে, যিয়ে জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে যুঁজত সহায় কৰে। ইয়াৰ উপৰিও, একবিংশ শতিকাত "বৌদ্ধিক বৈচিত্ৰ্য" (Cognitive Diversity) অতি প্ৰয়োজনীয়। যেতিয়া মহিলাই ব্যৱসায়িক প্ৰতিষ্ঠানৰ বৰ্ডৰুম বা সংসদত নেতৃত্ব দিয়ে; তেওঁলোকে সমস্যা সমাধানৰ বাবে নতুন দৃষ্টিভংগী লৈ আহে। ইয়াৰ ফলত উন্নত বিপদাশংকা



ব্যৱস্থাপনা গঢ়িব পাৰে। যেনে- আৰ্থিক সংকটৰ সময়ত অধিক দৃঢ়তাৰে কাম কৰিব পৰা ইত্যাদি।

অন্যহাতে, সবলীকৃত মহিলাই বাল্য বিবাহ আৰু ঘৰুৱা হিংসাৰ দৰে কু-সংস্কাৰক প্ৰত্যাহ্বান জনায়, যাৰ ফলত এক শান্তিপূৰ্ণ আৰু অন্তৰ্ভুক্তিমূলক সমাজ গঢ়ি উঠে।

উল্লেখনীয় যে ভাৰতীয় সংবিধান প্ৰণেতাসকলে নাৰীৰ মৰ্যাদা সুৰক্ষিত কৰিবলৈ এক শক্তিশালী আইনী গাঁথনি নিৰ্মাণ কৰিছে যি'ত সংবিধানৰ অনুচ্ছেদ ১৪ আৰু ১৫ ই আইনৰ চকুৰ আগত সকলোৰে সমান অধিকাৰ আৰু লিংগৰ ভিত্তিত বৈষম্যক নিষিদ্ধ কৰে, অনুচ্ছেদ ৩৯ য়ে সম কামৰ বাবে সম মজুৰি আৰু সম জীৱিকাৰ সুযোগ নিশ্চিত কৰিবলৈ

নিৰ্দেশ দিয়ে, ৭৩ তম আৰু ৭৪ তম সংশোধনীয়ে পঞ্চায়ত আৰু পৌৰসভাত মহিলাৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষিত কৰি তৃণমূল পৰ্যায়ত লাখ লাখ মহিলাক সক্ৰিয় ৰাজনীতিলৈ আনিছে। ইয়াৰ উপৰিও, ভাৰতত নাৰীৰ অধিকাৰ আৰু সবলীকৰণৰ লগতে জড়িত আটাইতকৈ শেহতীয়া সাংবিধানিক সংশোধনীটো হ'ল সংবিধানৰ (106 সংশোধনী) আইন, 2023, যাক সমগ্ৰ দেশতে 'নাৰী শক্তি বন্দন অধিনিয়ম' নামেৰে জনা যায়। বৰ্তমান চৰকাৰৰ 'বেটী বচাও, বেটী পঢ়াও' আঁচনিয়েও নাৰীৰ শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে আৰু মহিলা ই হাটৰ দৰে ডিজিটেল প্লেটফৰ্মে মহিলা উদ্যমীসকলক সহায় কৰিছে। আনফালে; নাৰী সবলীকৰণৰ ক্ষেত্ৰত আন্তৰ্জাতিক পৰ্যায়তো বহুতো আঁচনি গ্ৰহণ কৰা পৰিলক্ষিত হয়। যেনে - ৰাষ্ট্ৰসংঘৰ বহনক্ষম উন্নয়ন লক্ষ্য - SDG 5। ই 2030 চনৰ ভিতৰত লিংগ সমতা স্থাপন আৰু সকলো ধৰণৰ বৈষম্য দূৰ কৰাৰ লক্ষ্য লৈছে। আনহাতে, আন্তঃৰাষ্ট্ৰীয় মহিলা কৃষক বৰ্ষ 2026। ৰাষ্ট্ৰসংঘই 2026 বৰ্ষটো আন্তঃৰাষ্ট্ৰীয় মহিলা কৃষক বৰ্ষ হিচাপে ঘোষণা কৰিছে, যাতে বিশ্বৰ খাদ্য সুৰক্ষাত মহিলাৰ অৱদানক স্বীকৃতি দিব পৰা যায়, ইত্যাদি।

মনকৰিবলগীয়া যে বৰ্তমানৰ পৰিৱেশত, 'নিৰাপত্তাৰ অধিকাৰ' অবিহনে নাৰীৰ সবলীকৰণ অধূৰা। আত্মৰক্ষাৰ

প্ৰশিক্ষণ প্ৰক্ৰিয়া কেৱল এটা চখ নহয়; ই এক অনিবাৰ্য প্ৰয়োজন। কিয়নো সাম্প্ৰতিক কালত সমাজে পৰ্যন্ত প্ৰায়ে আমি নাৰীৰ নিৰ্যাতন, ধৰ্ষণ আদি অমানবীয় ঘটনাৰ কথা পঢ়িবলৈ পাওঁ। যিয়ে সমাজখন বিশৃংখল কৰি তুলিছে। সেয়ে, মহিলা সকলক সবলীকৰণ কৰাৰ লগতে আত্মৰক্ষাৰ প্ৰশিক্ষণো দিব লাগে। আত্মৰক্ষাই এগৰাকী মহিলাৰ মানসিক শক্তি বৃদ্ধি কৰে আৰু তেওঁৰ মাজত নিয়ন্ত্ৰণৰ ভাব গঢ়ি তোলে লগতে তেওঁলোকক আত্মনিৰ্ভৰশীল কৰি তোলে। এই ক্ষেত্ৰত আৰক্ষী আৰু বিভিন্ন এনজিঅ'ৰ দ্বাৰা পৰিচালিত আত্মৰক্ষাৰ কৰ্মশালাই মহিলা সকলক বিপদৰ সময়ত কেনেকৈ নিজকে ৰক্ষা কৰিব লাগে. তাৰ কৌশল শিকায়।

মনত ৰাখিবলগীয়া যে সবলীকৰণ কাৰোবাক দিয়া কোনো উপহাৰ নহয়; ই হ'ল নাৰীৰ জন্মগত অধিকাৰ। মোৰ সমাজৰ প্ৰতি মোৰ পৰামৰ্শ অতি সৰল; আপোনাৰ ওচৰৰ মহিলা গৰাকীক লাগিলে সেয়া কন্যাই হওক বা ভগ্নীয়েই হওক বা সহকৰ্মীয়েই হওক - সদায়ে তেওঁৰ কথা শুনিবলৈ শিকক আৰু তেওঁৰ সিদ্ধান্তক সন্মান কৰক। প্ৰকৃত সবলীকৰণ তেতিয়াহে হ'ব যেতিয়া আমি মহিলাসকলক এই পুৰুষ-প্ৰধান পৃথিৱীখনত খাপ খাই পৰিবলৈ কোৱাৰ পৰিবৰ্তে পৃথিৱীখন সকলোৰে বাবে উপযোগী কৰি গঢ়ি তুলিব পাৰিম।

"উত্তৰাধিকাৰ পোৱা নহয় যদি আমি মহিলাৰ বাবে এৰি থৈ যাওঁ, উত্তৰাধিকাৰ পোৱা যদি আমি ~~স~~ তেওঁলোকৰ লগতে মিলি হাড়ি তোলোঁ।"

— গোপালজ্যোতি হাজৈ
চতুৰ্থ ষাণ্মাসিক

# The Midnight Ghost



We all know about ghosts. But what is a ghost? Is it a spirit? Some of us believe they are real and some of us don't. But the funny part is when someone gets tricked by something silly and ends up thinking it is a ghost.

So here is a story about two boys named Julian and Liam.

Julian was a logical boy who tried to explain everything with reasons. And Liam was someone who was very scared of ghosts. One night, Julian was recalling his friends on chatting and talking about ghost named "The Midnight Ghost". Everyone said that the ghost appears at midnight at your door, who looks exactly like human but with no feet.

Suddenly, he felt like someone knocked at his door. He went doorstairs to check. Before, he could react

he saw a figure in the doorway staring at him. In that type, all of his logic goes out from his mind all he can do is to run towards his room and screaming out loudly.

Then in Liam's story, he had gone to Juliam's house because he was too scared to spend a night alone. So he decided to spend the night in Juliam's house who also lives nearby. He knocked the door but no one has answered. So he entered from the window. The room was dark, so he opened the door. After he opened the door, he saw a figure in the stairs. That figure was not even moving and looking at Liam's way. Liam got more scared when he heared that figure's scream and after runnig upstairs Liam got frore and he quickly run towards his house.

— Parishmita Mech.

B.A. 2nd Sem.

# Digital Literacy and Proficiency: A key to shaping the future

In the 21st century, literacy does not mean just knowing how to read and write; it is the skill of finding new information, evaluating it and creating something new by using technology to stay connected to our world. In the current global context, the gap between the "connected" and the "disconnected" does not depend solely on owning a smartphone. It depends on digital literacy - the ability to find and use information and digital proficiency - the ability to communicate effectively through technology. If literacy teaches us to "read" the digital world, then the proficiency empowers us to

"write" our own future. Generally, from banking and healthcare to education and remote work, digital skills are no longer a luxury in today's age; but rather an indispensable necessity.



In recent times, the necessity of digital proficiency is many times greater. Because with its knowledge, the doors to global economy can be opened, through which an individual can gain the opportunity to work in different international organizations while sitting at home. On the other hand, in this current era of "fake news" only a digitally literate person can distinguish between

correct and incorrect information, which helps in maintaining social order. Furthermore, from taking advantage of government and non-government schemes to ~~pra~~ paying electricity and water bills - literacy in digital tools make our daily tasks faster and reduces corruption through transparency. Moreover, it helps a citizen in understanding government policies and expressing their constructive opinions on social media. It connects the general public directly with the administration through e-Governance. In many such feilds its importance is infinite.

While looking at Indian context regarding the development of digital proficiency and literacy, we can generally mention

about PMGDISHA – Pradhan Mantri Gramin Digital Saksharta Abhiyan, launched by the government under the "Digital India" mission. In addition, platforms like UPI have started a revolution in the field of transactions across India. Moreover, the current NEP 2020 has also played an important role in its development. On the other hand, for the growth of digital proficiency and literacy at the global level, U.N.E.S.C.O has taken steps like 'Media and Information Literacy' (MIL) and in this regard, the global goal of U.N. named 'Global Digital Compact' has also played a special role in removing the digital divide across the world.

Therefore, while embracing this digital revolution, we should remember that just as technology is very efficient servant, it can

also be a terrible master. So, it is right to be curious, but it also necessary to exercise caution. We should try to know how our private information is being used and ~~should~~ should focus on always improving our skills. Digital proficiency is not a destination; it is a continuous journey. By mastering this digital language today, we can ensure that we do not remain more spectators of the future, but become its primary creators.

—Kashmir Basumatary.
B.A. 6th Sem.

# অভিনয়

জীৱনটো কিয় ইমান যে জটিল
বুজিব নোৱাৰা এটি অনুভৱে।
হাঁহিৰ আৰতো লুকাই থকাৰ কান্দোন যেন লাগে
জানো যে, নিজেই সৃষ্টি কৰা এই অভিনয়
নিজৰ ভেৰধাৰাৰে বান্ধি ৰাখিছো যেন লাগে।
যদি নিজে নিজৰ চৰিত্ৰ ভাগ্য লিখিছোঁ
তথাপিও সময় কিয় কৰে পৰিণতি।
জানো মই, জীৱনৰ ই এক সংগ্ৰাম
মই বিচাৰো এই সংগ্ৰামৰ পৰা মুক্তি।
যত এইবাৰ মই মোৰ ভয়ক জয় কৰিম।
কাৰণ জীৱনটো এটা অভিনয়
য'ত মই অভিনেতা হৈ নতুনেৰে
কাহানী লিখিম।

— অৰুণালিনী বড়া
দ্বিতীয় ষাণ্মাসিক

# নিলিখা কবিতা

কিছু কবিতা নিলিখাকৈ ৰৈ যায়
হয়তো সময়ৰ সোঁতত অথবা
আবেগৰ মোহত ।
ৰৈ যায়.... হয়তো কেতিয়াবা স্মৃতিৰ
টোপোলাৰ বেগত ।
কৰিবা চোন সেই স্মৃতিৰ টোপোলাৰ
সন্ধান !
খোদিত হয় কেতিয়াবা মধুৰ প্ৰেম
কেতিয়াবা বিষাদৰ ঢৌ আকৌ
কেতিয়াবা অপূৰ্ণ প্ৰেম ।
এইয়াই নেকি? সেই নিলিখা কবিতাৰ
টোপোলা ।

— গোপী সোণোৱাল
ষষ্ঠ ষাণ্মাসিক

# Somewhat Blue

I see the door's closing again, leaving no
source of light.
The warmth once felt is now has been
swept away.
The room which was once a heaven is now
just a quiet and empty, silent space.
"I'm different" I can shout my lungs out
but you know what they say,
"The Apple doesn't fall far from the trees."
I see you in every piece of me.
And we can try to put it together.
all over again but where will you buy
the love to make a house, a home
for your children, mother?

How will you hide those traces you left
behind from your children, father?
Wasn't I suppose to cry about what I have
lost but somehow I'm to cold to be
sheading a tear or two.
"Oh Dear but I love you."

—Sneha Talukdar.
B.A. 6th Sem.

# The Art of Living



## The Power Of Action :

- "The only way I could get my life together was to stay consistant." — David Goggins.
- "You donot rise to the level of your goals. You fall to the level of your systems." — James Clear.
- "Intentions don't matter. Actions do." — Naval Ravikant.

## The Path to Growth :

- " If you only do what you can do, you will never be more than you are now." — Master Shifu (a cartoon character of Kung fu Panda).
- "The only way to do great work is to love what you do." — Steve Jobs.
- "Persistence is the Path to Victory. Just keep moving ...... you will come to a better place." — Uncle Iroh. (A character of Avatar:

The Last Airbender).

## The Gift of Clarity :

- "Yesterday is history, tomorrow is mystery, but today is a gift. That is why it is called the present." – Master Oogway (a cartoon comic character of Kung fu Panda).
- "If you allow your mind to settle, the answer becomes clear." – Master Oogway (a cartoon comic character of Kung fu Panda).
- "The meaning of life is just to be alive. It is so plain and simple." – Alan Watts.

– Eshani Saha.
B.A. 4th Sem.

# একাংকিকা নাট :

# পাহাৰৰ মেমেকা জুই

**চৰিত্ৰসমূহ :**



ৰংমে : এজন অতি সাধাৰণ আৰু
(ল'ৰা) দৰিদ্ৰ খেতিয়ক পৰিয়ালৰ
ল'ৰা ; পৰিশ্ৰমী আৰু সৰল।

চেংম্ফি (ছোৱালী) : গাঁৱৰ মুখিয়ালৰ জীয়েক।

গাঁওবুঢ়া (ৰংঘাং) : গহীন-গম্ভীৰ আৰু কৰ্কশ।

## আৰম্ভণি

(এখন পাহাৰীয়া গাঁৱৰ প্ৰান্তত থকা প্ৰাচীন বৰগছৰ তল। পটভূমিত দূৰৰ পৰা বিহু বা জনজাতীয় নৃত্যৰ ঢোল-বাদ্যৰ ধ্বনি আৰু জুইৰ পোহৰ পৰি আছে।)

নিশাৰ আকাশত জোনাক আৰু চাৰিওফালে পাহাৰৰ গভীৰ নিস্তব্ধতা। গছজোপাৰ তলত জুইকুৰা জ্বলি আছে। চেংম্ফিয়ে হাতত এমুঠি বনফুল ধৈ ধৈ লৈ ৰৈ আছে।

বংমে লাহৈকে সোমাই আছে। )

বংমে : (উত্তেজিত হৈ) চেম্প্ৰু ......, তই আহিবি বুলি মই আশাই কৰা নাছিলোঁ। আজি এই উৎসৱৰ নিশা গোটেই গাঁওখন উৎসৱত মতলীয়া। ঐ, তোৰ প'-য়ে তোক বিচাৰি হাবাথুৰি খাইছে চাগে।

চেম্প্ৰু : (ফুলবোৰ হাতেৰে মোহাৰি) উৎসৱটো মোৰ বাবে নহয়, বংমে। আজিৰ ৰাতিটো মোৰ বিয়াৰ দৰা নিৰ্বাচনৰ ৰাতি। প'-য়ে পাহাৰৰ সিটো মূৰৰ ধনী ফৈদৰ ল'ৰাৰ সৈতে মোৰ বিয়া ঠিক কৰিছে। মোক আজিও সাজি-কাচি সেই সভালৈ যাবলৈ কৈছে।

বংমে : (বেদনাৰে) এই পাহাৰত আমাৰ প্ৰেমৰ কোনো মূল্য নাই। এই মাটি, এই নদী, এই বতাহ আমাৰ প্ৰেমৰ সাক্ষী তথাপিও সমাজখন কিয় ইমান কঠিন?

চেম্প্ৰু : (দুখেৰে) তেওঁলোকে কয় আমাৰ প্ৰেম হেনো অপৰাধ আৰু কয় আমাৰ তেজৰ শুদ্ধতা হেনো নষ্ট হ'ব যদি মই তোৰ লগত বিয়া হওঁ। কিন্তু, চা বংমে, আজি এই পাহাৰৰ জোনাকে পোহৰ তোৰ আৰু মোৰ ওপৰত সমানেই পৰিছে। এই পাহাৰৰ

বতাহে কি কেতিয়াবা সুধিছে সেই কোন শ্ৰেণীৰ? তই কোন শ্ৰেণীৰ?

(দূৰৰ পৰা গাঁওবুঢ়াৰ গহীন মাত ভাঁহি আহে)

**বংফাং**: চেম্ফ্ৰি! ক'ত আছ তই? (খঙেৰে) ঐ তহঁতে কি চাই আছ? সোনকালে তহঁতে তাইক বিচাৰি আন, নহ'লে আজি তহঁত চবকে মৰেল..... ।

**বংমে**: (হাতত ধৰি) আৰু পলম নকৰোঁ। মোৰ লগত যাবলৈ তই সাজু নে? আমি হয়তো পাহাৰৰ ওপৰলৈ যাব লাগিব য'ত আমাৰ পৰিচয়ে আমাক চিনি পাব।

**চেম্ফ্ৰি**: (অটল হৈ) মই প্ৰস্তুত। কিন্তু, বংমে যদি আমি ধৰা পৰোঁ, তেওঁলোকে আমাক এই পবিত্ৰ জুইৰ আগতে শেষ কৰি দিব।

**বংমে**: (জুইকুৰাৰ ফালে আঙুলিয়াই) এই জুইকুৰাই যদি আমাক দহি পেলাবলৈ সক্ষম, তেন্তে ই আমাক পবিত্ৰ কৰিবলৈও সক্ষম। মই ভয় নকৰোঁ। আজি আমাৰ মুক্তিৰ দিন।

(চেম্ফ্ৰিয়ে ডিঙিৰ পৰা পৰম্পৰাগত মণিৰ মালাজোপা খুলি বৰগছৰ তলত এৰি থৈ দৌৰি পলাবলৈ সাজু হ'ল। এনেতে চেম্ফ্ৰিয়ে পুৰণি লোকগীতৰ সুৰত গুণ গুণাবে)

চেংফা : (বিষাদভৰা সুৰত)


"পাহাৰৰ বতাহে বৰষুণ আনে,
মনৰ খবৰ কোনে জানে?
উচ্চ বৰণৰ দুৰ্গ প্ৰাচীৰে,
প্ৰেমৰ পথত মাথোঁ চকুলোৰে নিৰ।"

..............

বংগে : (চেংফাৰ হাত দুখন ধৰি) চেংফা তোমাৰ কণ্ঠত প্ৰতিজ্ঞাও সাহস আছে। এই গীতৰ সুৰবোৰ যেন পাহাৰৰ প্ৰতিটো শিলত শুনা যায় প্ৰতিধ্বনি হৈছে। আমাৰ এই প্ৰেম অকলশৰীয়া নহয়, এই পাহাৰেও আজি আমাক সাক্ষী মানিছে।

চেংফা : (অদূৰৰ জুইকুৰাৰ ফালে চাই) এই জুইকুৰাই আমাক পুৰিব খুলি ভয়। কিন্তু, মই এই জুইতে দেখিছোঁ আমাৰ মুক্তিৰ বাট। আমাৰ পাহঁতে নিয়মৰ বেৰা দিছে। কিন্তু, তেওঁলোকে পাহৰিছে যে পাহাৰৰ জুইয়ে কোনো নিয়ম নামানে।

(বাহিৰৰ পৰা চিপাহীসকলৰ কোলাহল)



বংমে : (দৃঢ় কণ্ঠৰে) শুনিলানে? সেয়া কিহৰ শব্দ।
মহালৰ পোহৰ আমাৰ একেবাৰে কাষ চাপিছেহি। আজিৰ এই নিশা যদি আমাৰ শেষ নিশা হয়, তেন্তে মই গৌৰৱেৰে কম মই এজন খেতিয়কৰ ল'ৰা হৈও পৃথিৱীৰ আটাইতকৈ ধনী মানুহ আছিলোঁ, কাৰণ ...... মই তোক পাইছিলোঁ।

চেম্ফা : (নিৰ্ভীকভাৱে) আজি আমি কোনো ভগৱানৰ আদেশ মানিবলৈ অহা নাই। আমি আহিছো এই পাহাৰৰ স্বাধীন আত্মা হ'বলৈ। বংমে মোৰ মালাডাল এই বৰগছৰ ওপৰত থৈ দিলোঁ। এয়া মোৰ পূৰ্বৰ সকলো অভিজাত্যৰ ত্যাগ। এতিয়াৰে পৰা মই মাথোঁ তোৰ, এই মাটিৰ।

(মঞ্চৰ লাইট ক্ৰমান্বয়ে কমি আহে, কেৱল জুইকুৰাৰ শিখা অলপ জ্বলি কঁপি কঁপি নুমাই যায়।)

# সমাপ্ত

— কাশ্মীৰ বসুমতাৰী।
(ষষ্ঠ ষাণ্মাসিক)


ছবিয়েকথা কয়



# সাঁথৰ



১/ মই থাকো লগত, ঘুৰি ফুৰোঁ জগত,
বাৰ্তা পঠাই দিওঁ লোকক, পাৰিবানে কব
মই কোন ভেকত?
উত্তৰ: মোবাইল ফোন।



২/ সেইটো কি যিটো বাঢ়ি হে থাকে আৰু কেতিয়াও
কমাব নোৱাৰি?
উত্তৰ: বয়স।



৩/ যিমানেই দৌৰে, সিমানেই নেজ
চুটি হয়।
উত্তৰ: বেজী সূতা।

৪/ এজোপা গছত সাতটা ডাল, প্ৰতিটো
ডালত সাতটাকৈ ফল।
উত্তৰ: সপ্তাহ।

৫/ ঘৰত থাকে কিন্তু কথা নকয়,
বাহিৰত থাকে কিন্তু ভিতৰত
সোমাব নিদিয়ে।
উত্তৰ: তলা

৬/ তুমি হাঁহিলে সিও হাঁহে, তুমি
কান্দিলে সিও কান্দে। উত্তৰ: আইনা

– মন্টু দলৈ।
চতুৰ্থ ষাণ্মাসিক

# কৌতুক

১/ ৰোগী - ডাক্তৰ চাৰ আপুনি প্ৰেচক্ৰিপচনৰ একেবাৰে তলত লিখা দৰবটো কতো বিচাৰিয়ে পোৱা নাই ?

ডাক্তৰ - চাওঁ কাগজখন ।

ৰোগী - এইখন চাওক ।

ডাক্তৰ - অ' এইটো দৰব লিখা নাছিলোঁ নহয়, কলমটোৱে ধৰেনে নধৰে check কৰিছে চাইছিলো ।



২/ এশ টকীয়া নোট :

দেউতাক : বল্টু, পৰীক্ষাত কি কৰিলি ?

বল্টু : একো নাই দেউতা, চাৰক মই ১০০ টকা এখন দি ক'লো - "চাৰ, যিমান পাৰে নম্বৰ দিয়ক !"

দেউতাক : তাৰ পিছত ?

বল্টু : চাৰে মোক ৫০ পইচা এটা দিলে আৰু ক'লে "বোপা, যিমান পাৰা খুচুৰা লৈ যোৱা (অৰ্থাৎ ০.৫০ নম্বৰ)।"

দেৱব্ৰত কটকী
দ্বিতীয় ষাণ্মাসিক